समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)


পাঠ–১২

লোকসংস্কৃতি

অংশ - ৪

ড° প্ৰণীতা শৰ্মা বৰদলৈ

৪। 'লোকজীবন তিনিটা ভাগত বিভক্ত'
— লোকজীৱন কি কি তিনিটা ভাগত বিভক্ত? প্ৰত্যেকটি ভাগৰে চমু আভাস দিয়া।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। 'লোকজীবন তিনিটা ভাগত বিভক্ত' — লোকজীৱন কি কি তিনিটা ভাগত বিভক্ত? প্ৰত্যেকটি ভাগৰে চমু আভাস দিয়া।

উত্তৰঃ লোকজীৱন সামাজিক আচাৰ-অনুষ্ঠান , ভৌতিক বা বস্তুসংস্কৃতি আৰু পৰিৱেশ্য কলা এই তিনিটা ভাগত বিভক্ত ।

১। **সামাজিক আচাৰ-অনুষ্ঠান:** মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰস্পৰাগত জীৱন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

পৰম্পৰাগত জীৱন ভৌতিক সংস্কৃতি আৰু মৌখিক সাহিত্যৰ মাজৰ সংযোগ সেঁতু। সমাজ আৰু পৰিয়ালৰ মাজত অনুষ্ঠিত কৃষি বা খেতি-বাতি , জন্ম- বিবাহ মৃত্যু আদি বিষয়ক ৰীতি-নীতি, আচাৰ-ব্যৱস্থা-অনুষ্ঠান আদিয়েই সামাজিক আচাৰ-অনুষ্ঠান । এইবোৰ লোকবিশ্বাসৰ সৈতে প্রধানভাৱে জড়িত।

সামাজিক আচাৰ-অনুষ্ঠান চাৰিটা ভাগত বিভক্ত - উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোকধর্ম আৰু লোকঔষধ ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। ভৌতিক বা বস্তু সংস্কৃতি: ভৌতিক বা বস্তুসংস্কৃতি হ'ল লোকসংস্কৃতিৰ দৃশ্যমান দিশ। জীৱন ধাৰণৰ বাবে প্রয়োজনীয় সমল নির্মান, নাইবা খোৱা-লোৱা বস্তু সামগ্রী আদিৰ ৰন্ধা-বঢ়া, প্রস্তুতি আদিয়েই ভৌতিকসংস্কৃতিৰ অধ্যয়নৰ সামগ্রী। ভৌতিক সংস্কৃতিৰ উপ-বিভাগকেইটা হৈছে - লোককলা, লোকশিল্প, লোক-স্থাপত্যকলা, লোক আভৰণ আৰু লোকৰন্ধন প্রণালী ।

৩। লোক পৰিৱেশ্য কলা: লোক জীৱনৰ শেষভাগটো হৈছে—লোক পৰিৱেশ্য কলা ।

পৰম্পৰাগত গীত, নৃত্য-নাচ, নাট- আদিয়েই লোক পৰিৱেশ্য কলাৰ উপাদান। কোনো এটা সাধুকথা কোৱা বা লোকগীত গোৱাকে পৰিৱেশন কৰা বোলে । পৰিৱেশ্য কলাৰ পৰিসৰে নৃত্য গীত, নাট, বাদ্যযন্ত্র আদিক সামৰে। লোকনাট হ'ল গীত আৰু নৃত্যৰ সমষ্টি । সংলাপৰ তুলনাত লোকনাটত গীত আৰু নৃত্যৰ গুৰুত্ব বেছি ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৫। বহলাই লিখা —

(ক) সামাজিক আচাৰ-অনুষ্ঠান



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। বহলাই লিখা —

(ক) সামাজিক আচাৰ-অনুষ্ঠান

উত্তৰঃ মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰম্পৰাগত জীৱন। পৰম্পৰাগত জীৱন ভৌতিক সংস্কৃতি আৰু মৌখিক সাহিত্যৰ মাজৰ সংযোগ সেঁতু । সমাজ আৰু পৰিয়ালৰ মাজত অনুষ্ঠিত কৃষি বা খেতি বাতি, জন্ম- বিবাহ মৃত্যু বিষয়ক ৰীতি-নীতি, আচাৰ-ব্যৱস্থা-অনুষ্ঠান আদিয়েই সামাজিক আচাৰ-অনুষ্ঠান । এইবোৰ প্রধানভাৱে লোকবিশ্বাসৰ সৈতে জড়িত ।

সামাজিক আচাৰ-অনুষ্ঠান চাৰিটা ভাগত বিভক্ত - উৎসৱ- অনুষ্ঠান, অৱসৰ- বিনোদন আৰু খেল-ধেমালি , লোকধৰ্ম আৰু লোকঔষধ ।



(খ) লোক পৰিবেশ্য কলা



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) লোক পৰিবেশ্য কলা

উত্তৰঃ লোক জীৱনৰ শেষভাগটো হৈছে— লোক পৰিৱেশ্য কলা। পৰম্পৰাগত গীত, নৃত্য - নাচ, নাট আদিয়েই পৰিৱেশ্য কলাৰ উপাদান। কোনো এটা সাধুকথা কোৱা বা লোকগীত এটি গোৱাকে পৰিৱেশন কৰা বোলে। পৰিৱেশ্য কলাৰ পৰিসৰে নৃত্য-গীত, নাট, বাদ্যযন্ত্ৰ আদিক সামৰে। লোকনাট হ'ল গীত আৰু নৃত্যৰ সমষ্টি।

(গ) ভৌতিক বা বস্তু-সংস্কৃতি




(গ) ভৌতিক বা বস্তু-সংস্কৃতি

উত্তৰঃ ভৌতিক বা বস্তুসংস্কৃতি হ'ল লোকসংস্কৃতিৰ দৃশ্যমান দিশ। জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সমল নিৰ্মান, নাইবা খোৱা-লোৱা বস্তু সামগ্ৰী আদিৰ ৰন্ধা-বঢ়া, প্ৰস্তুতি আদিয়েই ভৌতিকসংস্কৃতিৰ অধ্যয়নৰ সামগ্ৰী। ভৌতিক সংস্কৃতিৰ উপ-বিভাগকেইটা হৈছে - লোককলা, লোকশিল্প, লোক-স্থাপত্যকলা, লোক আভৰণ আৰু লোকৰন্ধন প্ৰণালী ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। লোকনাট কিহৰ সমষ্টি বুলি লিখকে কৈছে? এই শ্রেণীৰ নাটত সংলাপৰ ওপৰত গুৰুত্ব দিয়া হয়নে? তোমাৰ নিজৰ কথাৰে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৬। লোকনাট কিহৰ সমষ্টি বুলি লিখকে কৈছে? এই শ্ৰেণীৰ নাটত সংলাপৰ ওপৰত গুৰুত্ব দিয়া হয়নে? তোমাৰ নিজৰ কথাৰে লিখা।

উত্তৰঃ লোকনাট নৃত্য আৰু গীতৰ সমষ্টি বুলি লেখকে কৈছে । লোকনাটত সংলাপৰ গুৰুত্ব কম তাৰ পৰিৱৰ্তে ইয়াত নৃত্য আৰু গীতৰহে গুৰুত্ব আছে বুলি লেখকে কৈছে । গীত আৰু নৃত্যৰ দ্বাৰাই লোকনাটৰ কাহিনী দেখুওৱা হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। লোকসাহিত্যক কেইটা আৰু কি কি উপভাগত ভগাব পাৰি? ভাগবোৰৰ নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। লোকসাহিত্যক কেইটা আৰু কি কি উপভাগত ভগাব পাৰি? ভাগবোৰৰ নাম লিখা।

উত্তৰঃ লোক সাহিত্যিক ৫ টা উপভাগত ভগাব পাৰি ।

১/ লোক বা মৌখিক কবিতা বা বাচিক কবিতা বা লোকগীত

২/ গদ্যধর্মী লোককথা

৩/ প্রবচন, বচন , লোকোক্তি, যোজনা , পটন্তৰ

৪/ সাঁথৰ আৰু

৫/ লোকভাষা।

৮। ভৌতিক বা বস্তু-সংস্কৃতিৰ অধ্যয়নৰ সামগ্ৰী কি? ইয়াৰ উপ-বিভাগ কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। ভৌতিক বা বস্তু-সংস্কৃতিৰ অধ্যয়নৰ সামগ্ৰী কি? ইয়াৰ উপ-বিভাগ কি কি?

উত্তৰঃ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সমল নিৰ্মাণ, নাইবা খোৱা-লোৱা বস্তু সামগ্ৰী আদিৰ ৰন্ধা-বঢ়া, প্ৰস্তুতি আদিয়েই ভৌতিকসংস্কৃতিৰ অধ্যয়নৰ সামগ্ৰী। ভৌতিক সংস্কৃতিৰ উপ-বিভাগ কেইটি হৈছে: লোককলা, লোকশিল্প, লোক-স্থাপত্যকলা, লোকআভৰণ আৰু লোকৰন্ধন প্ৰণালী ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। 'অ' মাই যশোৱা হে, মাইহে যশোৱা...' গীতটি কোনে লিখিত ৰূপ দিয়ে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। 'অ' মাই যশোৱা হে, মাইহে যশোৱা...' গীতটি কোনে লিখিত ৰূপ দিয়ে?



উত্তৰঃ ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাই।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। তাৎপর্য ব্যাখ্যা কৰা —

(ক) লোকসংস্কৃতি পুৰণি হৈও নতুন, নতুন হৈও পুৰণি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


১০। তাৎপর্য ব্যাখ্যা কৰা —

(ক) লোকসংস্কৃতি পুৰণি হৈও নতুন, নতুন হৈও পুৰণি।

উত্তৰঃ লোকসংস্কৃতিৰ উপাদান সমূহ প্ৰধানত: মানুহৰ মুখে মুখে যুগে যুগে পৰম্পৰাগত ভাবে চলি অহা। লোক সংস্কৃতিৰ অন্তৰ্গত আহিলাসমূহ যেনে লোকগীত, হুঁচৰি, বিহুগীত, বিয়ানাম, লোকনাট, লোকসাহিত্য, জিকিৰ, মালিতা আদি বহুযুগৰ পৰাই মানুহৰ মুখে মুখে চলি আহিছে আৰু চলি যাব।

কেৱল মাত্র এটা পীৰিৰ পৰা আন এটা পীৰিলৈ ই সম্প্রসাৰিত হৈছে। এনে হওঁতে কৰবাত ই হয়তো ৰূপ সলাই নতুন ৰূপ লৈছে। শিক্ষিত লোকৰ হাতত পৰি আধুনিক বা সম্পাদিত ৰূপ পাইছে। উদাহৰণ স্বৰূপে লক্ষ্মীনাথ বেজবৰুৱা দেৱে বুঢ়ী আইৰ সাধুখন সম্পাদিত কৰি নতুন ৰূপত প্রকাশ কৰি উলিয়াইছিল অথচ ইয়াত থকা সাধুসমূহ কিন্তু যুগে যুগে আইতা সকলৰ মুখে মুখে চলি অহা সাধুৱেই। একেদৰে অ' মাই যশোৱা হে শীর্ষক গীতটিও ডঁ ভূপেন হাজৰিকা ডাঙৰীয়াই নতুনকৈ লিখি গাইছিল।

গতিকে দেখা যায় যে লোক সংস্কৃতিৰ বস্তু সমূহ কালৰ পিছত কাল ধৰি এনেদৰে চলি অহা । সেইবাবে আমি ক'ব পাৰোঁ যে লোকসংস্কৃতি পুৰণি হৈও নতুন আৰু নতুন হৈও পুৰণি ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। তাৎপর্য ব্যাখ্যা কৰা —

(খ) সমাজৰ পৰিবর্তনৰ লগে লগে লোকসংস্কৃতিৰো পৰিবর্তন ঘটে।


উত্তৰঃ লোকসংস্কৃতিৰ উপাদান সমূহ মানুহে সমাজ তথা সময় সাপেক্ষে নিজৰ মতে গঢ় দিয়ে। কালৰ বিৱর্তনত এই উপাদানসমূহৰো ৰূপান্তৰ ঘটে। শিক্ষিত মানুহৰ হাতত পৰি এই উপাদান সমূহে আধুনিক ৰূপ পায় সেইবাবে ক'ব পাৰি যে সমাজ পৰিৱর্তনৰ লগে লগে লোকসংস্কৃতিৰ পৰিৱর্তন ঘটে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১১। তলৰ শব্দকেইটাত মূর্দ্ধন্য 'ণ' আৰু 'ষ' হোৱাৰ কাৰণ দৰ্শোৱা —



কৃষি;

অনুষ্ঠান;

ধাৰণ;

আহৰণ।

উত্তৰঃ

কৃষি – 'ঋ' ৰ পাছত থকা 'ষ' হৈছে।

অনুষ্ঠান- অনু উপসৰ্গৰ পাছত থকা 'স্থান' শব্দৰ 'স' 'ষ' হয়।


ধাৰণ- 'ৰ' ৰ পিছত থকা বাবে 'ণ' হৈছে।

আহৰণ- 'ৰ' ৰ পিছত থকা বাবে 'ণ' হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


১২। বিপৰীত অর্থ বুজোৱা শব্দ লিখা —



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ



বিশ্বাস- অবিশ্বাস

মৌখিক- লিখিত

সংযোগ- বিচ্ছেদ

প্রয়োজনীয়- অপ্রয়োজনীয়

জন্ম- মৃত্যু

উচিত- অনুচিত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। সমাৰ্থক শব্দ লিখা —



গ্ৰন্থা;

পিতা;

বেমাৰ;

চহৰ;

লোক।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

গঞা- গাঁৱলীয়া

পিতা - দেউতা, পিতাই , পিতৃ

বেমাৰ- ৰোগ, অসুখ

চহৰ- নগৰ

লোক- জন, মানুহ